# অসম আদিত্য

আঘোণ, ১৯৪৭ শক ■ মঙলবাৰ, ১৮ নৱেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, November 18, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহ




গড়, ১৭ নৱেম্বৰ ঃ ডিব্ৰুগড় ঐতিহাসিক শৈক্ষিক
ষ্ঠান আমোলাপট্টি এম ভি স্কুলৰ সহঃশিক্ষয়িত্ৰী
ছা তাছনিমক আনুষ্ঠানিকভাৱে বিদায় জনোৱা
এই উপলক্ষে বিদ্যালয়ৰ প্ৰধান শিক্ষক চন্দন
ন আঁত ধৰা বিদায় সভাত শিক্ষয়িত্ৰী তাছনিমক
শৰাই, মানপত্ৰ, ফুলাম গামোচাৰে সম্বৰ্ধনা
ৰা হয়। উল্লেখযোগ্য যে বিগত ২০২৩ চনত
নগাঁৱৰ পৰা আহি শিক্ষয়িত্ৰীগৰাকীয়ে
লাপট্টি এম ভি স্কুলত কৰ্মত যোগদান কৰি
ছাত্ৰীসকলক শিক্ষাদানত জড়িত হৈ আছিল।
লয়ত কৰ্মত থকা সময়তে শিক্ষয়িত্ৰী তাছনিমে
চৰকাৰ এডি আৰ ই পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ
ত উচ্চ মাধ্যমিক বিদ্যালয়ত নিযুক্তি লাভ কৰে।
ধ্যে ঘোষিত হোৱা উক্ত পৰীক্ষাত তাছনিমে
পুৰ জিলাৰ শিক্ষা বিভাত নিৰ্বাচিত হোৱা
ত ডিব্ৰুগড় জিলাৰ শিক্ষা বিভাগৰ অন্তৰ্গত
লাপট্টি এম ভি স্কুলৰ পৰা আজি আনুষ্ঠানিক
গ্ৰহণ কৰে। অনুষ্ঠান বিদ্যালয়ৰ শিক্ষক বসন্ত
গগৈয়ে সম্বৰ্ধনা পত্ৰ পাঠ কৰে। বিদ্যালয়ৰ
শিক্ষয়িত্ৰী মামণি বৰা, জেনিফা শৰ্মা, ৰূপালী
নিপুজ্যোতি গগৈ, আঞ্জনা চুতীয়া, নিলীমা
কতি, আৰিফা বেগম, যুথিকা শৰ্মাৰ লগতে
লয়ৰ পৰিচালনা সমিতিৰ সভাপতি ৰাজশ্ৰী দাস
ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। সকলোৱে
য়িত্ৰী নাফিছাৰ ভৱিষ্যতৰ জীৱন সুখ-শান্তি, সুস্বাস্থ্য
দীৰ্ঘায়ু কামনা কৰে। আনহাতে, বিদায়ী শিক্ষয়িত্ৰী
হি বিদ্যালয়ৰ সকলোৱে প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

## ডিএইচএছকে কলেজৰ বক্তৃতানুষ্ঠানত জাগৃত শৰ্মা

# ঈশ্বৰে সকলোকে দিয়া সম্পদ সময়

**ষ্টাফ ৰিপৰ্টাৰ, ১৭ নৱেম্বৰ ঃ** সময় খৰচ কৰিব পাৰি কিন্তু উপাৰ্জন কৰিব নোৱাৰি।— গুজৰাটৰ পাৰুল বিশ্ববিদ্যালয়ৰ শৈক্ষিক সঞ্চালক জাগৃত শৰ্মাই আজি এইদৰে কয়। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ কম্পিউটাৰ বিজ্ঞান বিভাগ, সাংবাদিকতা আৰু গণসংযোগ বিভাগ আৰু জৈৱ-প্ৰযুক্তি বিভাগৰ যৌথ উদ্যোগত অনুষ্ঠিত 'টাইম মেনেজমেণ্ট এণ্ড স্মাৰ্ট ষ্টাডি টেকনিক্‌ছ' শীৰ্ষক বিষয়ত বক্তা প্ৰদান কৰি শৰ্মাই কয়— ঈশ্বৰে সকলোকে একেধৰণে দিয়া একমাত্ৰ সম্পদ হৈছে সময়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সময়ক বুদ্ধিমত্তাৰে ব্যৱস্থাপনা কৰিবলৈ আহ্বান জনাই কয় যে সময় সঠিকভাৱে ব্যৱস্থাপনা নকৰিলে মানসিক চাপৰ সৃষ্টি হয়, সেয়ে সময়ৰ মূল্য সময়ত বুজিব লাগিব, পিছলৈ বুজিলে লাভ নাথাকে। কম্পিউটাৰ বিভাগৰ মুৰব্বী অধ্যাপক হৰজিন্দৰ সিঙে আঁত ধৰা বক্তৃতানুষ্ঠানটিত তেওঁ কয় যে আমি বৰ্তমান সময় সঠিকভাৱে ব্যৱস্থাপনা কৰিব পাৰিলেহে আমাৰ ভৱিষ্যৎ দিশহীন নহ'ব। তেওঁ ছাত্ৰ-ছাত্ৰীক পঢ়া-শুনা, দক্ষতা উন্নয়ন আৰু শিক্ষামূলক লক্ষ্য স্থাপন কৰাৰ দৰে উৎপাদনশীল কৰ্মত অধিক মগ্ন হ'বলৈ আহ্বান জনায়। অনুষ্ঠানটিত উপস্থিত




থাকি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই কয়— সময় অতি মূল্যবান আৰু গুৰুত্বপূৰ্ণ, সময় এবাৰ পাৰ হৈ গ'লে পুনৰ ঘূৰি নাহে। অধ্যক্ষগৰাকীয়ে কয়— ধন পুনৰ উপাৰ্জন কৰিব পৰা যায়, কিন্তু সময় পুনৰ উপাৰ্জন কৰিব পৰা নাযায়। সময় নষ্ট কৰিলে লোকজনে নিজৰ ওপৰত দোষ অনুভৱ কৰা উচিত। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতিপ্ৰসাদ ফুকনকে ধৰি কম্পিউটাৰ বিভাগ, সাংবাদিকতা আৰু গণসংযোগ বিভাগ আৰু জৈৱ-প্ৰযুক্তি বিভাগৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে অনুষ্ঠানটিত পাৰুল বিশ্ববিদ্যালয়ৰ শৈক্ষিক সঞ্চালক জাগৃত শৰ্মাক ফুলাম গামোচা, কিতাপৰ টোপোলা, প্ৰশংসা-পত্ৰ আৰু অনুষ্ঠানটিৰ স্মৃতি বিজড়িত স্থিৰ চিত্ৰৰে উষ্ম সম্বৰ্ধনা জনোৱা হয়।

## ফুকনবা

**বিশেষ প্ৰতিনিধি, টেঙা**
নৱেম্বৰ ঃ ডিব্ৰুগড়
টেঙাখাতৰ ফুকনবা
বাগিচাত কৰ্মচাৰী
দীৰ্ঘদিনীয়া দাবীৰ পৰি
কৰ্মচাৰীসকল সৰৱ হৈ
২০১৯ চনৰ পৰা বকে
২০২৩ চনৰ পৰা ভ্ৰম
অনাদায় হৈ থকা, আগ
পৰা মাহেকীয়া দৰমহা অ
থকা, কৰ্মচাৰীসকলৰ বি
পদোন্নতি নোহোৱা,
সেৱা, বিল অনাদায় হৈ থ
কৰি বিভিন্ন সমস্যাৰ
দাবীত ইতিমধ্যে কৰ্মচ
সোচ্চাৰ হৈ পৰিছে।
আজিৰে পৰা কৰ্মচাৰীস
নৱেম্বৰ লৈকে বাগিচাৰ
সন্মুখত অৱস্থান ধৰ্মঘট
কাৰ্যসূচীৰে বাগিচাৰ
উত্তাল কৰি সবল প্ৰতিবা
কৰ্মচাৰীসকলে ২০১৯ চ
অনাদায় বকেয়া ধন আদা
২০২৩ চনৰ পৰা অনাদায়
ভ্ৰমণ বানচ আদায় দিয়ৰ
মাহৰ পৰা অনাদায়
মাহেকীয়া দৰমহা